# ১৯২৬ চনত অসম মহিলা সমিতিৰ প্ৰধান সম্পাদিকা

১৯২৬ চনত কেইগৰাকীমান মহিলাৰ যত্নত অসম মহিলা সমিতি প্ৰতিষ্ঠিত হয়। দুৰ্গাপ্ৰভা বৰা, চন্দ্ৰ প্ৰভা বৰুৱা, স্বৰ্ণলতা শইকীয়া, শশী প্ৰভা হাজৰিকা আদিয়ে এদিন আমাৰ ঘৰলৈ আহি, অসম মহিলা সমিতি খোলাৰ বিষয়ে মোৰ লগত আলোচনা কৰিছিলহি। তেওঁবিলাকে মিটিং পাতি ৺দুৰ্গাপ্ৰভা বৰাক সভানেত্ৰী এই লেখিকাক সম্পাদিকা, স্বৰ্ণ লতা শইকীয়াক সহকাৰী সম্পাদিকা, চন্দ্ৰপ্ৰভা বৰুৱাক ধন ভড়ালীৰ বাব দি সমিতি গঠন কৰিলে। কাৰ্য্য নিৰ্ব্বাহক সভাত শশী প্ৰভা হাজৰিকা, মিছেচ তৈয়বুল্লা, ঘনকান্তি দেৱী, আদি ২১ গৰাকী মানক সদস্যা পাতিছিল।

মহিলা সমিতিৰ সম্পাদিকা হৈ থাকোতে হিন্দী ক্লাছ খোলা মোৰ মনত পৰে। ঘৰটো চন্দ্ৰপ্ৰভা বৰুৱানীয়ে বন্দোবস্ত কৰিছিল। তাতে সৰু সৰু ল'ৰা-ছোৱালীক হাৰমনিয়ম বজাবলৈ শিকাই গানো শিকোৱা হৈছিল। সূতা কটা, তাঁত বোৱাৰো মহিলা সমিতিৰ দ্বাৰা ব্যৱস্থা কৰা হৈছিল। মাজে সময়ে সভা সমিতিও পতা মনত পৰে। উজনি অসমৰ পৰা কেইগৰাকীমান ছাত্ৰীয়ে কটনত পঢ়িবলৈ আহিছিল, কিন্তু কলেজ কৰ্ত্তৃপক্ষই ছোৱালীৰ কাৰণে হোষ্টেলৰ ব্যৱস্থা কৰিব নোৱাৰে বুলি জনোৱাত মহিলা সমিতিৰ জৰিয়তে সভানেত্ৰীৰ বাস ভৱনত সেই তিনিগৰাকী ছোৱালীক ৰাখিবৰ কাৰণে হোষ্টেলৰ ব্যৱস্থা কৰি দিয়া হৈছিল।

মহিলা সমিতিয়ে সাৰদা আইনৰ সপক্ষে আন্দোলন চলাবলৈ মনস্থ কৰি সেই বিষয়ে প্ৰস্তাৱ গ্ৰহণ কৰি সকলোকে জনালে যে ১৪ বছৰৰ পূৰ্ব্বে কোনো অভিভাৱকে ছোৱালীক যেন বিয়া নিদিয়ে।

সেই সময়তে উজান বজাৰৰ এজন ব্যক্তিয়ে তেওঁৰ জীয়েক এটিৰ বিয়াৰ আয়োজন কৰি ৰভা আদি দিয়াৰ গম মহিলা সমিতিয়ে পালে। ততালিকে মহিলা সমিতিৰ কাৰ্য্যকৰী সমিতিৰ সভ্যাসকলে দলেবলে তেওঁৰ ঘৰত উপস্থিত হৈ ছোৱালীৰ বয়স জানিব খুজিলে। ছোৱালীৰ বয়স ১০।১১ বছৰমান হোৱা বুলি জানি সমিতিয়ে পৰিয়ালক সেই বিয়া বন্ধ কৰিবলৈ অনুৰোধ কৰিলে। কাৰ্য্যকৰী সভাৰ সভ্যা ছোৱালীৰ মাক আৰু আইটাকো আছিল। বিয়ালৈ মাত্ৰ তিনিদিন আছে, এনেস্থলত মানুহজনে অনুনয় বিনয় কৰি মহিলা সমিতিক বিয়াত বাধা নিদিবলৈ ধৰিলে কিন্তু সমিতি ৰাজি নহল। মিটিং পাতি প্ৰস্তাৱ গ্ৰহণ কৰিলে। তাৰে কপি এটা ওপৰলৈ পঠাবলৈ স্থিৰ কৰিলে। উক্ত প্ৰস্তাব গ্ৰহণ কৰাত সকলোৰে মত নাছিল, সেই ব্যক্তিগত বিয়াখনৰ বিষয় লৈ। কিন্তু সৰহভাগৰ ভোটত প্ৰস্তাৱ গৃহীত হল। বিয়াৰ কাৰণে দৰাৰ ঘৰ আহি গুৱাহাটী পালেহি। বিয়ালৈ মাত্ৰ এদিন বাকী। মহিলা সমিতিত গৃহীত হোৱা প্ৰস্তাবৰ কপি দৰাৰ ঘৰলৈ পঠোৱা হ'ল। দৰাই সাৰদা আইনৰ বিৰুদ্ধে বিয়া কৰালে বিপদত পৰিব পাৰে বুলি ভাবি বিয়া কৰাবলৈ ভয় কৰিলে। দৰাৰ ঘৰে বিয়া ভাঙি গুৱাহাটী পৰিত্যাগ কৰিলে। গুৱাহাটীত মহিলা সমিতিৰ কাৰ্য্যত হুলস্থুল লাগিল। কন্যা ঘৰৰ সকলো বস্তু, বিয়াৰ যোগাৰ আদি লোকচান হ'ল। খোৱা বস্তুবিলাক পিচদিনা ভিক্ষাৰী মাতি বিলাই দিলে আৰু মহিলা সমিতিৰ শ্ৰাদ্ধ পাতিছে বুলি মনৰ দুখত মানুহৰ আগত কোৱা বুলি শুনা গৈছিল।

মহিলা সমিতিয়ে ১৪ বছৰৰ আগতে ছোৱালীক বিয়া দিয়া বন্ধ কৰিবলৈ আন্দোলন কৰা ফলস্বৰূপেই গুৱাহাটীত বোধকৰো বাল্য বিবাহৰ ব্যৱস্থা শিথিল হবলৈ ধৰিলে। ১৯৩১ কি ১৯৩২

চনত বোধকৰো মহিলা সমিতিয়ে সাৰদা আইনৰ বিষয়ে আন্দোলন কৰিছিল। তাৰ আগলৈকে ব্ৰাহ্মণৰ ভিতৰত বাল্য বিবাহ প্ৰচলিত আছিল, কিন্তু ১৯৩২ চনৰ পিচত কিমান দিনলৈ বাল্য-বিবাহ চলিছিল মনত নপৰে।

অসম মহিলা সমিতিৰ কাৰ্য্যকৰী সভাত মই সমিতিৰ সম্পাদিকা থাকোতেই এটি প্ৰস্তাব গ্ৰহণ কৰি অসম মহিলা সমিতিক নিখিল ভাৰত মহিলা সভাৰ অন্তৰ্ভুক্ত কৰিবলৈ সিদ্ধান্ত ললে। অৰ্ন্তভুক্ত কৰাৰ সম্পৰ্কে সকলো কৰিব লগা লিখা-পঢ়া কৰাৰ ভাৰ মোৰ ওপৰতে অৰ্পণ কৰিলে। তেতিয়াও নিখিল ভাৰত মহিলা সভাৰ বিষয়ে সবিশেষ আমাৰ মহিলা সমিতিয়ে বুজিব পৰা নাছিল। ১৯৩২ চনত নিখিল ভাৰত মহিলা সভাৰ বছেৰেকীয়া অধিবেশন কলিকতাত বহিছিল। মই সেই সভাত যোগদান কৰি সকলো জানি আহিবলৈ আৰু আৱশ্যকীয় কাৰ্য্যখিনিও কৰি আহিবলৈ ইচ্ছা কৰিলো।

মোৰ স্বামীয়ে মোক দেশৰ সেৱা কৰা কাৰ্য্যত কেতিয়াও বাধা নিদিছিল। বৰং সেই কাৰ্য্যত তেখেতে সহায় কৰিব পৰা কামখিনি কৰিহে দিছিল। মই কলিকতালৈ যোৱাৰ বিষয়ে তেখেতক জনোৱাত, তেখেতে মোক উৎসাহ দি কলে যে কলিকতাত এটা ঘৰ ভাড়া কৰি আমাৰ পৰিয়ালটোৱে এমাহমান তাত থাকি আহিব পাৰে। মই ভালেই পালো। ৺কামাখ্যা বৰুৱাৰ কলিকতাত থকা বন্ধু এজনৰ সহায়ত ১২০ টকা দি এটা ঘৰ ভাড়া কৰা হ'ল। ডাক্তৰ দাস, মোৰ লৰা-ছোৱালী কিটা, মই আমাৰ এজন ভতিজা, কামাখ্যা বৰুৱা আৰু তেখেতৰ তৃতীয়া কন্যা উৰ্মী ৰেলেৰে কলিকতালৈ যাত্ৰা কৰিলোহঁক কলিকতাত আমি এমাহমান আছিলোঁ। কামকৰা মানুহ এজন আমি লৈ গৈছিলো। কলিকতাৰে এজন ঠাকুৰ ৰাখি খোৱা-বোৱাৰ তত্ত্ববধান মই নিজেই কৰিছিলো। উৰ্মীৰ টন্‌চিল অপাৰেশ্যন সেই ঘৰতে কৰা হৈছিল। ডাক্তৰ দাসৰ জনা শুনা ডাক্তৰ

এজনে অপাৰেশ্যন আমি থকা ঘৰতে কৰিছিল। অপাৰেশ্যন কৰোতে ডাক্তৰ দাসৰ লগত ময়ো চাইআছিলো। ৫।৬ দিনমানৰ পিচত উমীয়ে আমাৰ লগত ফুৰিবলৈ ওলাই গৈছিল যেন মোৰ মনত পৰে।

নিখিল ভাৰত মহিলা সমিতিৰ মিটিং কলিকতাত চাৰি দিন-মান বহিছিল। সেই মিটিঙলৈ মোক নিয়া আনাৰ ভাৰ মোৰ স্বামীয়ে ভতিজা নিকুঞ্জবিহাৰী দাসৰ ওপৰত দিছিল। কেতিয়াবা আনি-বলৈ যোৱাত বেলি হলে আৰু মিটিং আগতে ভাগিলে কোন ঠাইত অপেক্ষা কৰি ৰম এই বিষয়লৈ কিছু অসুবিধা ভোগ কৰা মোৰ মনত পৰে।

নিঃ ভাৰত মহিলা সভাৰ লগত অসম মহিলা সমিতিক লগ লগোৱা বিষয়ে কৰিব লগা সকলো আলোচনা আৰু বন্দোবস্ত মই নিখিল ভাৰত মহিলা সভাত স্থিৰ কৰি আহিছিলোঁ।

অসমলৈ উভতি আহি নিখিল ভাৰত মহিলা সভাৰ সিদ্ধান্তৰ বিষয়ে মই অসম মহিলা সমিতিৰ কাৰ্য্যকৰী সমিতিত জনালো। কিন্তু দুৰ্ভাগ্যবশতঃ কাৰ্য্যকৰী সভাৰ অধিকাংশ সভ্যাই অসম মহিলা সমিতিক নিখিল ভাৰত মহিলা সভাত অন্তৰ্ভুক্ত কৰাৰ বিপক্ষে মত প্ৰকাশ কৰিলে। যদিও আগতে অসম মহিলা সমিতিৰ কাৰ্য্যকৰী সমিতিত প্ৰস্তাব গৃহীত হোৱাতহে সেই প্ৰস্তাব নিঃ ভাৰত মহিলা সভাৰ কাৰ্য্যকৰী সভাত গৃহীত কৰি অনা হৈছিল। কি ভাবি সেই একে সভ্যা সকলেই অন্তৰ্ভুক্ত কৰাৰ বিপক্ষে প্ৰস্তাব লবলৈ ওলাল. মই ভাবি অন্ত নাপালো আৰু মনতে স্থিৰ কৰিলো এই সমিতিৰ পৰা অব্যাহতি লোৱাহে মোৰ উচিত হ'ব।

মই নিজে সম্পাদিকা হৈ অসম মহিলা সমিতিৰ কাৰ্য্য-কৰী সমিতিৰ গৃহীত প্ৰস্তাৱ নিখিল ভাৰত মহিলা সভাৰ কাৰ্য্যকৰী সভাত অনুমোদন কৰি আনিলো, মই কোনটো লাজেৰে নিখিল ভাৰত মহিলা সভাক অসম মহিলা সভা অন্তৰ্ভুক্ত নোহোৱা

কথা জনাম ? মই চিন্তা কৰিলো, মোৰ স্বামী ডাঃ দাসে মোক মহিলা সমিতিৰ কাৰ্য্যত উৎসাহ দিবৰ কাৰণেই ইমান টকা খৰচ কৰি কলিকতাত সপৰিয়ালে বন্ধু বান্ধবৰ লগত ফুৰি আহিলে গৈ, তেৱেঁই মোক এতিয়া কি বুলি ভাবিব ? আৰু কিজানি কয় তিৰোতাসকলৰ কেনেকুৱা কাৰ্য্য প্ৰণালীৰ গতি ? মই তেখেতৰ আগত সকলো কথা কলো। তেখেতে কথা শুনি প্ৰথমে অচৰিত মানিলে । কথাটো নিয়মৰ বাহিৰ হৈছে বুলি মহিলা সমিতিৰ সভ্যাসকলক বুজাই কবলৈ কলে। নহলে অসমতে নিখিল ভাৰত মহিলা সভাৰ শাখা সমিতি এখন খুলি নিজৰ লজ্জাজনক অৱস্থাৰ অব্যাহতিৰ ব্যৱস্থা কৰাৰ উপদেশ দিলে ।

গধূৰ অন্তৰেৰে মই নতুনকৈ স্বকীয়া সমিতি এখন খোলা কাৰ্য্যত ব্ৰতী হবলৈ স্থিৰ কৰিলো। কেইগৰাকীমান মহিলাৰ সহায়ত মই অসমত নতুন মহিলা সমিতি এখন নিঃ মঃ সঃ শাখা নাম দি আৰম্ভ কৰিবলৈ সমৰ্থ হব পাৰিছিলো । যিসকলে মোক এই কাৰ্য্যত বিশেষ ভাৱে সহায় কৰিছিল তেখেতসকলৰ নাম যিমান দূৰ মনত আছে দিলো : শ্ৰীযুতা (সকল) লক্ষেশ্বৰী ভূঞা, ব্ৰজবালা বৰুৱা, সাবিত্ৰী দুৱৰা, হেমপ্ৰভা চৌধুৰী, স্বৰ্ণলতা দাস, লক্ষ্মী প্ৰিয়া দেৱী, লাবণ্য দাস ইত্যাদি।

অসমত স্বকীয়া মহিলা সমিতি এখন খুলি তাকেই নি: ভাৰত মহিলা সভাৰ অন্তভূক্ত কৰা হ'ল। নিখিল ভাৰত মহিলা সভাৰ লগত অসম মহিলা সমিতিৰ যোগাযোগ ৰক্ষা কৰা ভাৰ মোৰ ওপৰতে প'ৰল। মই অসমৰ ষ্টেণ্ডিং কমিটিৰ সভ্যা হলো। ষ্টেণ্ডিং কমিটিৰ সভ্যা হিচাপে মই দুবাৰ নিখিল ভাৰত মহিলা সভাৰ বছেৰেকীয়া সভাত যোগদান কৰিছিলো, এবাৰ মাদ্ৰাজত বহা সভাত, আনবাৰ গোৱালিয়ৰত বহা সভাত। দেববালা চলিহাও আমাৰ সমিতিৰ সভ্যা হৈছিল। কলিকতাৰ পৰা মই দেববালাৰ লগত মাদ্ৰাজৰ নিখিল ভাৰত মহিলা সভাত যোগদান

কৰিছিলো। মই বুজিবলৈ চেষ্টা কৰিছিলো নিখিল ভাৰত মহিলা সভাত যোগদান কৰাৰ পৰা আমাৰ মহিলা সমাজৰ কি উপকাৰ সাধিত হব ? নিখিল ভাৰত মহিলা সভাৰ অন্তৰ্ভূক্ত অসম মহিলা সভা ১৫ বছৰ মান অসমত চলাই ৰখা হৈছিল। এই কিবছৰৰ ভিতৰত অসমত আমাৰ মহিলা সভাৰ ভালেমান শাখা নানা ঠাইত খোলা হৈছিল, কেইখনমান গাঁৱতো ইয়াৰ শাখা খোলা হৈছিল। এই সভাৰ জৰিয়তে বামুণদি গাঁৱত এটি প্ৰাইমেৰী ছোৱালী স্কুল খুলি দিয়া হৈছিল। নিখিল ভাৰত মহিলা সভাৰ শাখা অসম মহিলা সভাৰ বছেৰেকীয়া সন্মিলন আমি অসমত দুবাৰ পাতিছিলোঁ।

এবাৰ অনুসূয়া বাই কালেক সভানেত্ৰী কৰি অনা হৈছিল। আনবাৰ অসমৰ তেতিয়াৰ গবৰ্ণৰ শ্ৰীশ্ৰীপ্ৰকাশজীয়ে সন্মিলনত সভাপতিৰ আসন গ্ৰহণ কৰিছিল। অসমীয়া তিৰোতাৰ সামাজিক উন্নতিৰ অৱস্থাৰ বিষয়ে জানিব পাৰি শ্ৰীপ্ৰকাশজীয়ে বৰ সন্তোষ প্ৰকাশ কৰিছিল।

যিবাৰ নিখিল ভাৰত মহিলা সভাৰ বছেৰেকীয়া সন্মিলন গোৱালিয়ৰত বহিছিল সেই বছেৰেকীয়া সন্মিলনলৈ আমি অসমৰ পৰা আঠ গৰাকীমান মহিলা গৈছিলো। নিখিল প্ৰাদেশিক মহিলা সভাৰ গোৱালপাৰা শাখা আৰু নলবাৰী শাখাৰ পৰাও প্ৰতিনিধি আহি আমাৰ লগত লগ লাগিছিল। আমি আটাই কেইগৰাকীয়ে উৰা জাহাজত কলিকতালৈ গৈছিলো। সেইদিনা বতৰ বৰ বেয়া আছিল,, ঠিক সময়ত প্লেন যোৱা নাছিল, আমি দুঘণ্টা মান ৰৈ থাকিব লগাত পৰিছিল। মোৰ স্বামী ডাক্তৰ দাসে আমি সেইদিনা যোৱাত বেয়া পাইছিল, বিপদ হব পাৰে বুলি ভাবি তেখেতে আমি যোৱা চাবলৈ গৈছিল। কিন্তু তেখেতে কোনো কথাতে আনক বাধা দিবলৈ ভাল নাপাইছিল প্লেনখন সেইদিনা নোযোৱা হলে, আমাৰো যাবৰ ইচ্ছা নাছিল, কিন্তু শেষত প্লেনত উঠিবলৈ আমাক খৰ-খেদা লগোৱাত আমিও

উঠিলো. নোযোৱাৰ কথা ভাবিবকে ন্নোৱাৰিলো, আগতে টিকট আদি কিনাই হৈছিল।

গোৱালিয়ৰত বহা সম্মিলনত মই এটা কথাত বৰ আপত্তি কৰিছিলো। মিটিং চলি থাকোতে চিগাৰেট খোৱা কথাটো। পিচত লক্ষ্য কৰিছিলো। মুকলি সভাত চিগাৰেট বাদ দিছিল।

নিখিল ভাৰত মহিলা সভাৰ শাখা অসম প্ৰাদেশিক মহিলা সভাৰ জৰিয়তে পুঁজি সংগ্ৰহ কৰি কলেজত পঢ়া ছোৱালীৰ কাৰণে এটি হোষ্টেলঘৰ কৰা হয়। সেই ঘৰ পাণবজাৰ ছোৱালী হাইস্কুলৰ হোষ্টেল ঘৰৰ লগতে সজা হয়। তাতেই কটনত পঢ়া ছোৱালী বিলাকক থাকিবলৈ দিয়া হৈছিল, কিয়নো সেই সময়ত কটন কলেজত যদিও সীমিত সংখ্যক ছোৱালীক লৰাৰ লগত পঢ়িবলৈ দিয়া হৈছিল, কিন্তু ছাত্ৰী বিলাকৰ থকাৰ ব্যৱস্থা কলেজ কৰ্তৃপক্ষই কৰিব নোৱাৰে বুলি কৈছিল। উক্ত ঘৰ হৈ উঠাৰ পূৰ্ব্বে কটনত পঢ়া ছোৱালীবিলাকৰ কাৰণে মোৰ স্বামী ডাক্তৰ দাসৰ সৌজন্যত তেওঁবিলাক থকাৰ কাৰণে অস্থায়ী ভাৱে এটা ব্যৱস্থা কৰি দিয়া হৈছিল। ডাক্তৰ দাসে নিজৰ ক্লিনিক এটি খুলিবৰ কাৰণে বৰ্ত্তমান আমি থকা ঘৰটো সজাইছিলে। ঘৰটো হৈ উঠাত, তেখেতে সৰঞ্জাম আদি যোগাৰ কৰাৰ চেষ্টাত আছিল, আৰু কিছুদিন ঘৰটো এনেয়ে আছিল। কটন কলেজত পঢ়া ছাত্ৰীসকলে মোক নেৰানেপেৰাকৈ তেওঁবিলাকৰ থকা ঠাই ঠিক কৰি দিবলৈ ধৰাত মোৰ মনটো বৰ বেয়া লাগিল। ছাত্ৰীবিলাকৰ অসুবিধাৰ কথা মই ডাক্তৰ দাসক জনোৱাত তেখেতে কলে, ছমাহমানৰ কাৰণে তেখেতে ক্লিনিকৰ কাৰণে সজা ঘৰটোতে ছোৱালীবোৰক থাকিবলৈ দিব পাৰে, কিন্তু তাতকৈ বেছিদিন ঘৰটো দিব নোৱাৰে। তেখেতৰ কথা মতেই ছাত্ৰীবিলাকক ঘৰটোত থাকিবলৈ দিয়া হল, আৰু আৱশ্যকীয় সকলো বন্দোৱস্তও কৰি দিয়া হল। মই ছোৱালীবিলাকক চোৱা-চিতাৰ ভাৰ গ্ৰহণ কৰিছিলো। প্ৰথমতে উজান বজাৰৰ শ্ৰীকালী প্ৰসাদ বৰুৱাৰ

বিধবা ভনীয়েক কমলা দেৱী মেট্ৰনৰ পদত আছিল। কিন্তু তেওঁ বেছি দিন নাথাকিল, অসুবিধা পালে।

মোৰ খুড়ী শাহু শুৱালকুছিত আছিল। তেখেতৰ সামাজিক কামলৈ বৰ আগ্ৰহ আছিল। ছোৱালীবিলাকৰ লগত তেখেত থাকিব পাৰিবনে বুলি সোধাত তেখেত ৰাজী হল। মোৰ খুৰী শাহুআয়েই ছোৱালীবিলাকৰ লগত ৰাতি আছিল। তেখেতে নিজৰ খোৱা বোৱা ওচৰত থকা নিজৰ জীয়েকৰ ঘৰত কৰিছিল। আইৰ বয়স তেতিয়া কিজানি ৬০ বছৰমান হৈছিল। ইফালে শুৱালকুছি গাঁৱত তেখেতৰ ঘৰ, তথাপিও তেখেতে অলপো দ্বিধা প্ৰকাশ নকৰি ছোৱালীৰ লগত হোষ্টেলত আছিল। আইৰ মন বৰ উদাৰ আছিল। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত যোগ দান কৰাত গাঁৱৰ মহিলাসকলৰ ভিতৰত তেখেতেই অগ্ৰগণী আছিল।


ইতিমধ্যে ডাক্তৰ দাসে চৰকাৰী হস্পিতেলত কটা ছিঙা কৰিবৰ কাৰণে কেবাখনো বিছনা লাভ কৰিছিল। গতিকেই তেখেতৰ ক্লিনিক খুলিব লগাত নপৰিল। ছাত্ৰীবোৰে সেই ঘৰত দুবছৰ থকাৰ পিচত পাণবজাৰ হাইস্কুলৰ চৌহদত নিঃ ভাঃ মঃ সভাৰ শাখা অসম মহিলা সমিতিৰ দ্বাৰা নিৰ্ম্মাণ কৰা হোষ্টেল ঘৰত থাকিবলৈ সুবিধা পালে।

মই অসম প্ৰাদেশিক সভা নাম দিয়া সভাৰ পৰা নিঃ ভাঃ মঃ সভালৈ অসমৰ মহিলাসকলৰ প্ৰতিনিধি আছিলো। এই-খিনিতে উল্লেখ কৰা সমীচীন হব যে অসম প্ৰাদেশিক মহিলা সমিতি যি সমিতিৰ পৰা মই সম্পাদিকাৰ বাব এৰি দিব লগাত পৰিছিলো সেই সমিতয়েই পিচত নিঃ ভাঃ মঃ সভাৰ লগত উক্ত সমিতিক অন্তভুক্ত কৰিবলৈ চিঠি-পত্ৰ দিছিল। উক্ত সমিতিৰ পৰা নিঃ ভাঃ মঃ সভালৈ অন্তৰ্ভুক্ত কৰাৰ বিষয়ে লিখাৰ বিষয়ে মই নিঃ ভাঃ মঃ সভাৰ পৰা জানিব পাৰিছিলো নিঃ ভাঃ মঃ সভাৰ নিয়মানুসৰি একে প্ৰদেশৰ পৰা দুখন মহিলা সভাক অন্তৰ্ভুক্ত

কৰিব নোৱাৰে। প্ৰাদেশিক মহিলা সমিতিৰ পৰা উক্ত বিষয়ে চিঠি পাই নিঃ ভাঃ মঃ সভাৰ পৰা মোক সুধি পঠালে, অসমত কিয় দুখন প্ৰাদেশিক মহিলা সভা গঠিত হৈছে বুলি, আৰু উক্ত সভা দুখনৰ বিষয়ে সবিশেষ জানিবলৈ বিচাৰিলে। নিজৰ ভিতৰত হোৱা মতান্তৰৰ বিষয়ে বাহিৰত জনাবলৈ মোৰ মন নগল। মই ভাবি-চিন্তি দেখিলো অসমৰ দুইখন প্ৰাদেশিক মহিলা সভাক লগ-লগোৱাই উচিত কাম হব যেতিয়া উক্ত প্ৰাদেশিক সমিতিয় অন্তৰ্ভুক্ত হব খুজিছে। নহলে আমাৰ সভাখন যেতিয়া অন্তৰ্ভুক্ত আছে ইখন মহিলা সমিতিক নিঃ ভাঃ মঃ সভাত কেতিয়াও অন্তৰ্ভুক্ত কৰিব নোৱাৰে। আগৰ খনৰ পৰা ওলাই আহি মোৰ নতুনকৈ মহিলা সভা এখন খোলাৰ আৱশ্যকেই নাছিল যদি তেতিয়াই আগৰ মহিলা সমিতিয়ে নিঃ ভাঃ মঃ সভাত অন্তৰ্ভুক্ত কৰা প্ৰস্তাৱৰ বিৰুদ্ধে প্ৰস্তাৱ নললেহেঁতেন। নিঃ ভাঃ মঃ সভাৰ পৰা অহা চিঠি-পত্ৰৰ বিষয়ে মই অসম প্ৰাদেশিক মহিলা সমিতিক জনালো। তেওঁবিলাকে নিঃ ভাঃ মঃ সভাত অন্তৰ্ভুক্ত হোৱাৰ বিষয়ে ইচ্ছা প্ৰকাশ কৰাত দুইখন প্ৰাদেশিক মহিলা সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতি বহুৱাই দুই খনক একে লগ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। নতুনকৈ পতা নিঃ ভাঃ মঃ সভাৰ শাখা অসম প্ৰাদেশিক মহিলা সভাৰ যাৱতীয় হিচাপ-পত্ৰ আগৰ প্ৰাদেশিক মহিলা সমিতিৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিক গটাই দিয়া হ'ল। নিঃ ভাঃ মঃ সভাক একেখন সভা হোৱাৰ বিষয়ে জনোৱা হ'ল। মোৰ অসম মহিলা সভাৰ প্ৰতিনিধি বাবৰ পৰা মই অব্যাহতি লোৱাৰ বিষয়েও নিঃ ভাঃ মঃ সভাক জনাই দিলোঁ।



ছাত্ৰী জীৱনত লিখিকা (বাওঁ ফালৰ পৰা থিয় হৈ থকা তৃতীয় গৰাকী)



বিবাহিত জীৱনত পৰিয়ালবৰ্গৰ লগত তোলা ছবি।



অসম মহিলা সমিতিৰ সম্পাদিকা হৈ থকা কালত
(বাওঁফালৰ পৰা থিয় হৈ থকা তৃতীয় গৰাকী)



পাণবজাৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আৰু
সম্পাদিকাৰ দায়িত্ব ভাৰ লৈ থকা কালছোৱাত।



হাইস্কুলৰ দশম শ্ৰেণীৰ বিদায়ী ছাত্ৰীসকলৰ লগত।



সন্দিকৈ ছোৱালী কলেজৰ অধ্যক্ষা হৈ থকা কালত।



কলেজৰ ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ লগত তোলা ছবিত।



অসম শিশু সদনৰ আধাৰশিলা স্থাপনৰ মুহূৰ্ত্তত শ্ৰীমতী ইন্দিৰা গান্ধীৰ সৈতে দেখা গৈছে।